**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 14-02-2026

**Time :** 1845 Hrs.

***Assamese EveningBulletin***
**HEADLINE**

ooooo

১। অসম সহ সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল দেশৰ অষ্টলক্ষ্মী বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গুৱাহাটীত মন্তব্য।

২। অসম দেশৰ শক্তিশালী অঞ্চল হিচাপে পৰিণত হোৱা বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ দাবী।

৩। ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেঁতু মুকলি।

৪। বিশিষ্ট সাহিত্যিক, কবি তথা বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি টৰেন বড়োৰ দেহাৱসান।

**আৰু**

৪। টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ দ্বিতীয়খন খেলত স্কটলেণ্ডৰ বিৰুদ্ধে ইংলেণ্ডৰ ৫ উইকেটত জয়লাভ।

ooooo

অসম সহ সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল দেশৰ অষ্টলক্ষ্মী বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুৱাহাটীত প্ৰকাশ কৰে। দলৰ বুথ বিজয় সংকল্প সভাত ভাষণ দি প্ৰদানমন্ত্ৰীয়ে কয় যে বিগত ১১ বছৰত বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। কংগ্ৰেছৰ শাসন কালত অঞ্চলটোৰ প্ৰতি কৰা অৱহেলাৰ বাবে দলটোক সমালোচনা কৰি প্ৰধানমন্ত্ৰীয়ে কংগ্ৰেছে অসমক হিংসাৰ দিশে ঠেলি দিয়া বুলি আৰু তেওঁলোকৰ শাসন কালত অঞ্চলটোত অস্থিৰতা সৃষ্টিত অৰিহনা যোগোৱা বুলি অভিযোগ তোলে। শ্ৰীমোদীয়ে কয় যে যোৱা ১১ বছৰত উত্তৰ পূৰ্বাঞ্চলৰ বাবে ৫ লাখ ৫০ হাজাৰ কোটি অধিক টকা আবণ্টন কৰা হৈছে আৰু অঞ্চলটোত এই সময়ছোৱাত আন্তঃগাণথনি খণ্ডত অভূতপূৰ্ব উন্নয়ন পৰিললক্ষিত হৈছে। বিজেপি নেতৃত্বাধীন চৰকাৰৰ শাসন কালত অসম দেশৰ উন্নয়নৰ চালিকাশক্তি হিচাপে পৰিগণিত হোৱা বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে।

বাইট

প্ৰধানমন্ত্ৰীয়ে কয় যে তেওঁৰ চৰকাৰে অঞ্চলটোত যোগাযোগ আৰু আন্তঃগাঁথনি খণ্ডৰ উন্নয়নৰ লগতে যুৱ প্ৰজন্মৰ বাবে কৰ্মসংস্থাপনৰ সুবিধা সৃষ্টিৰ হকে কাম কৰি আছে। তেওঁ কয় যে ২০২৬-২৭ বিত্তীয় বৰ্ষত কৰ হস্তান্তৰৰ অংশ হিচাপে অভিলেখ পৰিমাণৰ ৪৯ হাজাৰ ৭২৫ কোটি টকা আচুতীয়াকৈ ৰখা হৈছে। তেওঁ লগতে অসমত নদী পৰ্যটন আন্তঃগাঁথনিৰ বিকাশ সাধন কৰা হ'ব বুলি মন্তব্য কৰে।

বুথ বিজয় সংকল্প সভাত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱালে কয় যে এসময়ত অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ অশান্ত অঞ্চল হিচাপে জনাজাত আছিল যদিও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ যুটীয়া প্ৰচেষ্টা অঞ্চলটোত শান্তিৰ প্ৰতিষ্ঠা হৈছে। অসম দেশৰ শক্তিশালী অঞ্চল হিচাপে পৰিগণিত হোৱা বুলি শ্ৰীসোণোৱালে দাবী কৰে। তেওঁ লগতে কংগ্ৰেছে উত্তৰ পূৰ্বাঞ্চলৰ জাতি-জনগোষ্ঠী, ভাষা-সংস্কৃতিক সংকটৰ মুখলৈ ঠেলি দিয়া বুলি অভিযোগ কৰে। তেওঁ কয় যে কংগ্ৰেছৰ দুৰ্নীতি, ভ্ৰষ্টাচাৰ আৰু বিভ্ৰান্তিকৰ ৰাজনীতিৰ বাবে অসম পিছ পৰি আছিল।

বাইট

সভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে বিজেপি পুনৰ ক্ষমতালৈ আহিলে অহা বাৰ ২ লাখ যুৱক-যুৱতীক চৰকাৰী চাকৰি প্ৰদান কৰা হ'ব। ৰাজ্যত উচ্ছেদ অভিযান অব্যাহত থাকিব বুলিও তেওঁ মন্তব্য কৰে।

বাইট

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেঁতুখন মুকলি কৰে। ৩ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে  নিৰ্মাণ কৰি উলিওৱা এই ১ দশমিক ২-৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই দলংখনে উত্তৰ-গুৱাহাটীত থকা ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান তথা সাংস্কৃতিক স্থানসমূহলৈ যাতায়াত সুচল কৰি তোলাৰ লগতে উত্তৰ গুৱাহাটীক মহানগৰ হিচাপে গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰিব। এই উপলক্ষে লাচিত ঘাটত  আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালো উপস্থিত থাকে। এই অনুষ্ঠানৰ পৰাই প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত থকা ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান-আই আই এমৰ অস্থায়ী চৌহদ উদ্বোধন কৰে আৰু কেন্দ্ৰীয় পুঁজিৰে ক্ৰয় কৰা ১০০ খনৰো অধিক বৈদ্যুতিক বাছ ৰাজ্য চৰকাৰক অৰ্পণ কৰে। কামৰূপ জিলাৰ আমিনগাঁৱত আজি উত্তৰ পূবৰ প্ৰথম আৰু দেশৰ পঞ্চমটো ডাটা চেণ্টাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটীৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন কৰে। এই ডাটা চেণ্টাৰত দেশৰ সকলো দৰকাৰী ডাটা সুৰক্ষিত কৰি ৰখাৰ ব্যৱস্থা কৰা হৈছে। ৩ বিঘা ভূমিত নিৰ্মাণ হোৱা এই ৰাষ্ট্ৰীয় তথ্য কেন্দ্ৰটোত আজিৰ পৰা সকলো দৰকাৰী তথ্য জনসাধাৰণে লাভ কৰিব পাৰিব। ইয়াৰ পাছতে প্ৰধানমন্ত্ৰীয়ে  গুৱাহাটীৰ খানাপাৰাত বিজেপিৰ দলীয় কৰ্মীসকলৰ এখন বৈঠকতো অংশগ্ৰহণ কৰে।

ইয়াৰ আগেয়ে, দিনজোৰা ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী মোদীয়ে ডিব্ৰুগড় জিলাৰ মৰাণৰ ঘাইপথত জৰুৰীকালীন অৱস্থাত বিমান উৰণ-অৱতৰণ কৰিব পৰাকৈ বিশেষভাৱে বিকশাই তোলা অৱতৰণক্ষেত্ৰ মুকলি কৰে। শ্ৰীমোদী আজি পুৱা এই অৱতৰণ ক্ষেত্ৰত অৱতৰণ কৰে। তেওঁ লগতে  ছুখয়-থাৰ্টি, ৰাফেল, তেজছ যুঁজাৰু বিমানৰ লগতে হাৰ্কিউলিছ আৰু এণ্টন'ভ এ এন থাৰ্টি-টু পৰিবহণ বিমানৰ অৱতৰণ আৰু উৰণ কৌশল প্ৰত্যক্ষ কৰে। প্ৰায় ১০০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ অৱতৰণ ক্ষেত্ৰ

উত্তৰ-পূবৰ প্ৰথমখন জৰুৰীকালীন ক্ষেত্ৰ। যুদ্ধ অথবা যিকোনো জৰুৰীকালীন অৱস্থাত পৰম্পৰাগত বিমান বন্দৰসমূহ অচল হৈ পৰিলে এই বিকল্প অৱতৰণ ক্ষেত্ৰ সেনাবাহিনীৰ বাবে ফলপ্ৰসূ হ'ব।

০০০০০

বিশিষ্ট সাহিত্যিক, কবি তথা বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি টৰেন বড়োৰ আজি গুৱাহাটীত এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁ বয়স হৈছিল ৭০ বছৰ। প্ৰয়াত সাহিত্যিকগৰাকীয়ে বড়োৰ লগতে অসমীয়া ভাষাতো সাহিত্য চৰ্চা কৰিছিল। তেওঁ দুবাৰকৈ বড়ো সাহিত্য সভাৰ সভাপতিৰ আসন অলংকৃত কৰিছিল। টৰেন বড়ো সাহিত্য একাডেমীৰ সৈতেও ওতঃপ্ৰোতঃভাৱে জড়িত আছিল।

০০০০০

কেন্দ্ৰীয় চৰকাৰে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত গহপুৰৰ পৰা ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত নুমলীগড়লৈ ব্ৰহ্মপুত্ৰৰ তলেৰে পথ আৰু ৰে'ল চলাচলৰ সুবিধাযুক্ত দ্বৈত সুৰংগ নিৰ্মাণ প্ৰকল্পত অনুমোদন জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কালি অনুষ্ঠিত অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কেবিনেট কমিটীয়ে এই মৰ্মে সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰকল্পৰ বাবে ১৮ হাজাৰ ৬৬২ কোটি টকা নিৰ্ধাৰণ কৰা হৈছে। মুঠ প্ৰকল্পৰ দৈৰ্ঘ্য হ'ব ৩৭ দশমিক ৭ কিলোমিটাৰ। ইয়াৰে ভিতৰত ১৫ দশমিক ৭-৯ কিলোমিটাৰ পথ ব্ৰহ্মপুত্ৰ নদীৰ তলত থাকিব। উল্লেখযোগ্য যে, এয়া হ'ব দেশৰ প্ৰথমটো পানীৰ তলৰ পথ আৰু ৰে'লৰ সুৰংগ। বৰ্তমান ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ নুমলীগড় আৰু ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথৰ গহপুৰৰ মাজৰ দূৰত্ব প্ৰায় ২৪০ কিলোমিটাৰ। তদুপৰি ৫২ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ শিলঘাটৰ ওচৰৰ কলিয়াভোমোৰা দলঙৰ পৰা নুমলীগড়, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু বিশ্বনাথ চাৰিআলি চহৰৰ মাজেৰে যাবলৈ ছঘণ্টা সময় লাগে। এনে প্ৰত্যাহ্বানসমূহলৈ লক্ষ্য ৰাখি এই সুৰংগ পথ প্ৰকল্পটোত গহপুৰৰ পৰা ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত নুমলীগড়লৈ এটা অংশ ব্ৰহ্মপুত্ৰৰ তলেৰে পথ আৰু ৰে'ল চলাচলৰ চাৰিলেন প্ৰৱেশ নিয়ন্ত্ৰিত গ্ৰীণফিল্ড সংযোগ হিচাপে গঢ়ি তোলা হ'ব। এই প্ৰকল্পৰ দ্বাৰা অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড আৰু উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যসমূহো উপকৃত হ'ব। তদুপৰি ইয়াৰ ফলত যাত্ৰীৰ পৰিবহণ ব্যয় আৰু সময়ো ৰাহি হ'ব। এই প্ৰকল্পৰ জৰিয়তে প্ৰত্যক্ষ আৰু পৰোক্ষ নিয়োগ বৃদ্ধি পোৱাৰ উপৰি অঞ্চলটোৰ সামগ্ৰিক বিকাশো ত্বৰান্বিত হ'ব বুলি আশা কৰা হৈছে।

০০০০০

শ্ৰীভূমি জিলাৰ ভাৰপ্ৰাপ্ত শিশু সুৰক্ষা অধিকাৰীয়ে জিলাখনৰ যোগ্য ছাত্ৰ-ছাত্ৰীসকলক ২০২৬ চনৰ দুল স্কুল স্কলাৰশ্বিপ পৰীক্ষাৰ বাবে নাম পঞ্জীয়ন কৰাবলৈ আহ্বান জনাইছে। ছাত্ৰ-ছাত্ৰীসকলে WWW.DOONSCHOOL.COM/DSSE ৱেবচাইটযোগে নিজৰ নাম পঞ্জীয়ন কৰাব পাৰিব। উল্লেখযোগ্য যে, এই বৃত্তি পৰীক্ষাৰ জৰিয়তে মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে বৃত্তিৰ সহায়ত এই বিদ্যালয়ত শিক্ষা লাভ কৰাৰ সুযোগ লাভ কৰে।

০০০০০

বলবৎকাৰী সঞ্চালকালয়ৰ গুৱাহাটী মাণ্ডলিক কাৰ্য্যালয়ে আজি কাছাৰৰ ভূমি সংৰক্ষণ বিভাগৰ প্ৰাক্তন বিষয়া আখতাৰ হুছেইন আৰু তেওঁৰ পত্নী ডাঃ জেছমিন ৰহমানৰ গুৱাহাটী আৰু গোৱালপাৰাত থকা ৪ কোটি ৯৪ লাখ টকাৰ স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তি জব্দ কৰিছে। আইন বহিৰ্ভূত সম্পত্তি অৰ্জনৰ গোচৰত তদন্তকাৰী

সংস্থাটোৰে দুয়োগৰাকী বিষয়াৰ সম্পত্তি জব্দ কৰে। উল্লেখযোগ্য যে, পূৰ্বে মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে অভিযুক্ত আখতাৰ হুছেইনৰ বিৰুদ্ধে একে গোচৰ ৰুজু কৰিছিল। এই গোচৰৰ তদন্তৰ অন্তত তদাৰকী কোষে আদালতত হুছেইনৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰে।

০০০০০

ৰাল্য বিবাহমুক্ত ভাৰত গঢ়াৰ ১০০ দিনীয়া অভিযানৰ অংশ হিচাপে আজি বৰপেটা জিলাৰ কেওঁটকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এখন সজাগতা সভা অনুষ্ঠিত হয়। জিলাখনৰ মহিলা সৱলীকৰণ কেন্দ্ৰৰ উদ্যোগত আৰু মহিলা আৰু শিশু উন্নয়ন বিভাগৰ সহযোগত  আয়োজিত এই সজাগতা কাৰ্য্যসূচীৰ অডিঅ' ভিজুৱেল ব্যৱস্থাৰে ছাত্ৰ-ছাত্ৰীসকলক বাল্য বিবাহৰ ক্ষতিকাৰক দিশবোৰৰ বিষয়ে অৱগত কৰা হয়।

০০০০০

গোলাঘাট জিলাৰ বনগাঁও-চ'লা উচ্চ মাধ্যমিক বিদ্যালয়ত ইক' ক্লাব, পক্ষীপ্ৰেমী সংগঠন চৰাইবান্ধৰ, গ্ৰাছ আৰু আশ্ৰয়ৰ উদ্যোগত জিলাখনৰ ১৬ খন বিদ্যালয়ৰ সহযোগত চৰাই বাহ সুৰক্ষা দিৱস পালন কৰা হয়। এই উপলক্ষে বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী তথা চৰাই বান্ধৱৰ সঞ্চালিকা গীৰিমল্লিকা শইকীয়াৰ নেতৃত্বত কেইবাটাও কাৰ্য্যসূচী ৰূপায়ণ কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চৰাই বিষয়ক কৰ্মশালা, বিভিন্ন প্ৰতিযোগিতা, প্ৰদৰ্শনী আদিও আয়োজন কৰা হয়। অনুষ্ঠানত কেইবাজনো প্ৰকৃতিপ্ৰেমী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০

ওদালগুৰি জিলাৰ টংলাৰ কলা-সাহিত্য-সংস্কৃতি সংগঠন সুহৃদৰ উদ্যোগত আৰু টংলা সাহিত্য সভাৰ আতিথ্যত ড০ ভূপেন হাজৰিকাৰ জীৱন, গীত আৰু চিনেমা বিষয়ক সুহৃদ আড্ডা শীৰ্ষক এটা ব্যতিক্ৰমী অনুষ্ঠানৰ আয়োজন কৰা হয়। টংলা সাহিত্য সভা ভৱনত বিশিষ্ট গল্পকাৰ জয়ন্ত কুমাৰ চক্ৰৱৰ্তীৰ সম্পাদনাত সম্পাদক শ্যামল কুমাৰ দাসে আঁত ধৰা অনুষ্ঠানত কেইবাজনো বিশিষ্ট সাহিত্যিক তথা লেখকে অংশগ্ৰহণ কৰে।

০০০০০

অসম বিধানসভাৰ বাজেট অধিবেশন অহা ১৬ ফেব্ৰুৱাৰীত আৰম্ভ হ'ব। ৰাজ্যপালৰ ভাষণেৰে আৰম্ভ হ'বলগীয়া বাজেট অধিবেশন ১৯ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব। অধিবেশনৰ দ্বিতীয় দিনা বিধানসভাত ২০২৬-২৭ বৰ্ষৰ অন্তৰ্বৰ্তী লেখানুদান বাজেট উত্থাপন কৰা হ'ব। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পূৰ্ণাংগ বাজেটৰ সলনি বিত্তী মন্ত্ৰী অজন্তা নেওগে লেখানুদান দাখিল কৰিব। বাজেট অধিবেশনত পৰৱৰ্তী তিনি বা ছমাহ ৰাজ্যখন চলিবৰ বাবে প্ৰয়োজনীয় পুঁজিত মঞ্জুৰী দিয়া হ'ব।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ আজিৰ দৃষ্টিপাত অনুষ্ঠানত শ্ৰীলংকাৰ কলম্বোৰ ভাৰতীয় উচ্চায়োগত থকা স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ প্ৰাক্তন সঞ্চালক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ মুৰব্বী অধ্যাপক ড° অংকুৰণ দত্তৰ সৈতে এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰিব। এই সাক্ষাৎকাৰৰ প্ৰথম অংশ নিশা ৮ বাজি ২ মিনিটৰ পৰা চাৰে ৮ বজালৈ আৰু দ্বিতীয় অংশ নিশা ৯ বজাৰ পৰা শুনিবলৈ পাব। সাক্ষাৎগ্ৰহণ আৰু অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

আই চি চি টি-টুৱেণ্টি বিশ্ব ক্রিকেট প্রতিযোগিতাত আজি কলকাতাত অনুষ্ঠিত গ্রুপ-চিৰ এখনত খেলত ইংলেণ্ডে স্কটলেণ্ডক ৫ উইকেটত পৰাস্ত কৰে। খেলখনত ইংলেণ্ডে ১৫৩ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ আৰু দুটা বলত পাঁচটা উইকেটৰ বিনিময়ত নির্ধাৰিত লক্ষ্য অতিক্রম কৰে। ইয়াৰ পূর্বে স্কটলেণ্ডে প্রথমে বেট ধৰাৰ আমন্ত্রণ লাভ কৰি ১৯ অভাৰ আৰু চাৰিটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৫২ ৰাণ সংগ্রহ কৰে।

ইয়াৰ আগেয়ে কলম্বোত অনুষ্ঠিত গ্রুপ-বিৰ এখন খেলত আয়াৰলেণ্ডে ওমানক ৯৬ ৰানত পৰাস্ত কৰে। খেলখনত ওমানে ২৩৬ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৩৯ ৰানহে কৰিবলৈ সমর্থ হয়।

ooooo

সমাপ্ত